৮৬৮/ক
৫/১১/৯৮

দেহাৰ প্ৰলয়।

শ্ৰীবেণুধৰ ৰাজখোৱাৰ দ্বাৰা ৰচিত।

যোৰহাট, ১৯২৯ চন।

উপহাৰ ।

মোৰ ভৱ-খেলাৰ লগৰীয়া
বন্ধু সকললৈ ।

প্ৰিয়বৰেষু ,

দুখীয়া বন্ধুৰ দুখীয়া উপহাৰটি সাদৰেৰে তোমালোকৰ হাতত অৰ্পণ কৰিলোঁ। মেলি নোচোৱাকৈ সম্প্ৰতি তাক পেৰাত সুমাই, পেৰাটো সঁচাৰ-কাঠিৰে বন্ধ কৰি থবা। বস্তুটো কি, চাবৰ নিমিত্তে অদূৰ ভৱিষ্যতত তোমালোকলৈ আহ্বান আহিব। ইতি

তোমালোকৰ অযোগ্য বন্ধু—
শ্ৰীবেণুধৰ ।

উপহাৰ ।

মোৰ ভৱ-খেলাৰ লগৰীয়া
বন্ধু সকললৈ ।

প্ৰিয়বৰেষু ,

দুখীয়া বন্ধুৰ দুখীয়া উপহাৰটি সাদৰেৰে তোমালোকৰ হাতত অৰ্পণ কৰিলোঁ। মেলি নোচোৱাকৈ সম্প্ৰতি তাক পেৰাত সুমাই, পেৰাটো সঁচাৰ-কাঠিৰে বন্ধ কৰি থবা। বস্তুটো কি, চাবৰ নিমিত্তে অদূৰ ভবিষ্যতত তোমালোকলৈ আহ্বান আহিব। ইতি

তোমালোকৰ অযোগ্য বন্ধু—
শ্ৰীবেণুধৰ ।

দেহাৰ প্ৰলয়।

(১)

ভৱ-খেলা খেলি, আহোঁ নাহোঁ বুলি,
কেহেলি-কেন্দেলি পালোঁ হি ইবেলি
মৰণ-দুৱাৰখনি ঘোৰ মূৰ্ত্তিমন্ত !
আজি জীৱনৰ মোৰ অভিনয় অন্ত !

(২)

ওচৰত আই, কান্দিছে বোপাই,
হুমলীয়া ভাই, সোদৰ ককাই;
কান্দিছে স্নেহৰ লৰা, কন্যা মনোৰমা।
কান্দিছে তিৰোতা মোৰ প্ৰাণ-প্ৰিয়তমা।

(৩)

বোলে বৈদ্যচয় কণাকণিকই,
"আৰু আশা নাই, মৰণ নিশ্চয় !"
কাণত পৰিল চাঁট্-কৰে কথা যাৰি।
গোটেই শৰীৰ মোৰ উঠিল জিকাৰি।

(৪)

দেখি মোৰ ভাৱ, মৰমৰ মাৱ
কান্দে হাওঁ-হাওঁ, কৰি কাও-বাও ;
কেতিয়াবা ভুকুৱায় দুই হাতে বুকু ।
বিহাৰ আগেৰে মোছে মাজে মাজে চকু ।

(৫)

এচুকত পৰি, মৰমৰ তিৰী
কান্দিছে বাগৰি, ধৰ্‌ফৰ্‌ কৰি ;
নামানি সান্ত্বনা-বাক্য আউলী-বাউলী ।
ধূলিৰে বিকৃত হল বিলাহৰ চুলি ।

(৬)

সুৱঁৰিলোঁ মই ধন-বস্তুচয়,
ধুনীয়া আলয় মায়া-মোহময় ;
মনত পৰিল মোৰ পেৰাটোৰ কাঠি,
দোলা, ঘোঁৰা, হাতী আৰু পথাৰৰ মাটি ।

(৭)

সুৱঁৰিলোঁ হাৰ গজ-মুকুতাৰ
মোৰ তিৰোতাৰ বিলাস-আধাৰ ;
সুৱঁৰিলোঁ বুকুখনি হাৰ-অলঙ্কৃত,
প্ৰিয়াৰ মোহিনী মূৰ্ত্তি সুসাজে সজ্জিত ।

(৮)

আজি ৰাতি হাঁয় ভীষণ শঙ্কাই
আবৰি পেলায় মন-চিত্ত-কায় ;
দুপৰ নিশাত হল জগত গহীন।
বেৰি আছে বন্ধুবৰ্গ, সৱে বাক্যহীন।

(৯)

এনেতে শালৰ ঘোঁৰা মৰমৰ,
ছিঙ্গি ডোল বৰ, মাৰিলে লৰৰ ;
জানিলোঁ মৰণ মোৰ নিচেই ওচৰ।
জানিলোঁ পালে হি আজি আদেশ কালৰ।

(১০)

বুকু কঁপি যোৱা শিয়ালৰ হোৱা
শুনি সমজুৱা চঁকিত পেপুৱা ;
উপায়বিহীন সৱে নিমাত, নিস্তব্ধ।
অন্তৰত প্ৰাণ-চিত্ত আলোড়িত, ক্ষুব্ধ !

নিয়তি চৰাই ডালত বগাই
"নিওঁ" বোলে হাঁয় দঢ়াই দঢ়াই ;
মৰণ-বাতৰি আনে ক'ৰপৰা আহি !
চিত্ত অসংযতভাৱে ফুৰে মোৰ ভাহি !

(৪)

দেখি মোৰ ভাৱ, মৰমৰ মাৱ
কান্দে হাওঁ-হাওঁ, কৰি কাও-বাও ;
কেতিয়াবা ভুকুৱায় দুই হাতে বুকু ।
বিহাৰ আগেৰে মোছে মাজে মাজে চকু ।

(৫)

এচুকত পৰি, মৰমৰ তিৰী
কান্দিছে বাগৰি, ধৰ্‌ফৰ্‌ কৰি ;
নামানি সান্ত্বনা-বাক্য আউলী-বাউলী ।
ধূলিৰে বিকৃত হল বিলাহৰ চুলি ।

(৬)

সুৱঁৰিলোঁ মই ধন-বস্তুচয়,
ধুনীয়া আলয় মায়া-মোহময় ;
মনত পৰিল মোৰ পেৰাটোৰ কাঠি,
দোলা, ঘোঁৰা, হাতী আৰু পথাৰৰ মাটি ।

(৭)

সুৱঁৰিলোঁ হাৰ গজ-মুকুতাৰ
মোৰ তিৰোতাৰ বিলাস-আধাৰ ;
সুৱঁৰিলোঁ বুকুখনি হাৰ-অলঙ্কৃত,
প্ৰিয়াৰ মোহিনী মূৰ্ত্তি সুসাজে সজ্জিত ।

(৮)

আজি ৰাতি হাঁয় ভীষণ শঙ্কাই
আবৰি পেলায় মন-চিত্ত-কায় ;
দুপৰ নিশাত হল জগত গহীন।
বেৰি আছে বন্ধুবৰ্গ, সৱে বাক্যহীন।

(৯)

এনেতে শালৰ ঘোঁৰা মৰমৰ,
ছিঙ্গি ডোল বৰ, মাৰিলে লৰৰ ;
জানিলোঁ মৰণ মোৰ নিচেই ওচৰ।
জানিলোঁ পালে হি আজি আদেশ কালৰ।

(১০)

বুকু কঁপি যোৱা শিয়ালৰ হোৱা
শুনি সমজুৱা চঁকিত পেপুৱা ;
উপায়বিহীন সৱে নিমাত, নিস্তব্ধ।
অন্তৰত প্ৰাণ-চিত্ত আলোড়িত, ক্ষুব্ধ !

নিয়তি চৰাই ডালত বগাই
"নিওঁ" বোলে হাঁয় দঢ়াই দঢ়াই ;
মৰণ-বাতৰি আনে ক'ৰপৰা আহি !
চিত্ত অসংযতভাৱে ফুৰে মোৰ ভাহি !

(১২)

চকুলো ধাৰেৰে দুগালে বাগৰে ;
বুকু ঘনে লৰে ধৰ্‌ফৰ্‌ কৰে ;
থউকি-বাথউ মন কৰে আতিকই,
চিনাকি পৃথিবী মোৰ এৰি যাবলই ।

(১৩)

অৱশ শৰীৰ হল ধীৰে-ধীৰ ;
পাৰ্থিব মতিৰ গতি-ক্ৰিয়া স্থিৰ ;
পৰিল কাণৰ লতি, চকুৰশ্মি গল !
পৰিল নাকৰ পাহি, নখ ধেলা হল !

(১৪)

এৰে উপস্থিত দুৱাৰ-দলিত ;
মৰণ নিশ্চিত আজিৰ তিথিত ;
সাৰিব নোৱাৰোঁ আজি মৰণৰ হাত !
অন্ত হল আজি মোৰ পৃথিবীৰ ভাত !

(১৫)

কন্দা-কতা কৰি, নিলে ধৰাধৰি,
ঘৰৰ বাহিৰি, বন্ধুৱে আগুৰি ;
শুৱালে লাহেকৈ মোক তুলসী-তলত
আথে-বেথে সকলোৱে কলাৰ পাতত ।

(১৬)

মন্ত্ৰ-উচ্চাৰণ কৰে গুৰুজন,
বোলে ঘনে-ঘন— "লোৱাঁ নামধন";
জানিলোঁ তেতিয়া, এয়ে মৰণৰ থলী;
ছিগি যাব তিলেকতে সংসাৰ-শিকলি।

(১৭)

কিহৰে বা মাত হাঁয় অকস্মাত্
কাণৰ গুহাত পৰিল নিৰ্ঘাত!
কিয় নো কাটিছে বাঁহ, কিবা কথা পাঙ্গি?
বুজিলোঁ সাজিছে মোৰ মৰণৰ চাঙ্গি!

(১৮)

উপজিছে ভয়, যাম অকলই
হাঁয় কেনেকই আজি বাৰু মই!
নেদেখা-নুশুনা ৰাজ্য, অচিনাকি দেশ।
মনত আশঙ্কা-ডৰ লাগিছে বিশেষ।

(১৯)

দেখা নাইকিয়া বাট কেনেকুৱা;
পোনে পোনে যোৱা, নাইবা পকোৱা;
বাঘ ভালুকৰ ভয় আছে নে কি হাঁয়!
হাবি নে মুকলি ঠাই, একো জনা নাই।

(২০)

দেখাবলৈ বাট কোনো নাই তাত ;
কোনে দিব মাত এই দুৰ্দ্দশাত ;
চাই লওঁ শেষ বাৰ চকুৰে এতিয়া
পুত্ৰ পৰিবাৰ বন্ধু পুৰণি-কলীয়া।

(২১)

হিয়া ভাগি যায়, কত কথা হাঁয়
মনত খেলায়, তাৰ অন্ত নাই !
গোটেই সংসাৰ মোৰ মনত পৰিছে।
বিজুলী-সঞ্চাৰে শত ভাব লৰিছে।

(২২)

ভাব আহে যায়, আদি অন্ত নাই ;
ছায়া-চিত্ৰপ্ৰায় লৰি পলায় ;
পৃথিবীৰ পূৰ্ণদিন-বিয়াপী ভাবনা
মনৰ পটত হয় তিলেকে থাপনা।

(২৩)

অকস্মাত্ মোৰ অতীব দুৰ্ঘোৰ
শোক-ভাৰবোৰ পালে জানা ওৰ ;
নাই আৰু শৰীৰত যন্ত্ৰনা-বেদনা,
নাই অন্তৰত আৰু বিষাদ-ভাবনা।

(২৪)

ইগোটা দেহাৰ গুৰুতৰ ভাৰ;
লাগে এই বাৰ পাতল অপাৰ;
মনটি উৰিব খোজে অতি উলাহিত।
আকাশী ডেউকা যেন যুক্ত শৰীৰত!

(২৫)

পুত্ৰ-পৰিজন শোকত মগন;
কান্দে ঘনে-ঘন, ঘৰ-বাৰী ছন!
চাইছোঁ নিৰ্লিপ্তভাৱে সকলো সংসাৰ।
নাই নাই এফেৰিও বেজাৰৰ ভাৰ।

(২৬)

জানিলোঁ জানিলোঁ, ঠাৱৰে জানিলোঁ,
এতিয়া বুজিলোঁ সাঁথৰ সকলো;
এয়ে মৰণৰ মোৰ প্ৰথম ঘটন।
মৰণ-বাটৰ আগ-দুৱাৰ ইখন।

(২৭)

শৱ আছে বেৰি যত নৰ নাৰী;
কয় ধীৰি ধীৰি— মৰিল বপুৰি!
কৰালে দেহাটি মোৰ বিধিমতে স্নান।
দিলে শৰীৰত নৱবস্ত্ৰ পৰিধান।

(২৮)

"জয় ৰাম" বুলি ধীৰে ধীৰে তুলি,
সৱে ধৰি-মেলি চাঙ্গিত ইবেলি
নিলে শ্মশানলৈ মোক কৰি হৰিধ্বনি।
মৰণৰ মহাশঙ্খ বাজে ঘনে-ঘনি।

(২৯)

চিতাৰ আকাৰ দেখি হাহাকাৰ
কৰে সমজ্যাৰ লোক অনিবাৰ;
খন্তেকতে ভস্মীভূত পৃথিবীৰ কায়!
ভৌতিক দেহাটি হাঁয় হল পুৰি ছাই!

(৩০)

নিৰ্ব্বিকাৰ হই আছোঁ মই চাই;
চিন্তা-শোক নাই, লুপ্ত শঙ্কা-ভয়;
আলেঙ্গে আলেঙ্গে ফুঁৰো চাই কাৰ্য্য-গতি।
সংলিপ্ত নাথাকে মোৰ একোতেই মতি।

(৩১)

সকলোৱে কয়— "মায়া-মোহময়
ধন-বস্তুচয়, একোৱে নবয়;
সংসাৰত সাৰ-বস্তু মাথোন ঈশ্বৰ।
ধৰ্ম্মনিষ্ঠ হব লাগে যত নাৰী নৰ"।

(৩২)

স্বজন যিমান, চিন্তাকুল-প্ৰাণ,
এৰিলে শ্মশান, পালে নিজ স্থান ;
মুহূৰ্ত্ততে পাহৰিলে শ্মশান-বাতৰি।
মায়া-মোহে সকলোকে পেলালে আবৰি।

(৩৩)

হল ভস্মসাত্ দেহাটি চিতাত ;
মৰণৰ ছাঁত আছোঁ হে ইয়াত ;
মৰণ-দুৱাৰদলি চেৰিলোঁ সঁচাই।
কলৈ যাম, কেনি যাম, কব পৰা নাই।

(৩৪)

দীঘল বুলনী, এন্ধাৰ ঢাকনী,
যাওঁ সেই পিনি, চকুৰে নমণি ;
চলি চলি যাওঁ, খোজ ভৰিৰে নাকাঢ়ি।
কোনে নো উৰাই নিয়ে, কবকে নোৱাৰি।

(৩৫)

নাই একো ভয়, নিচেই সংশয় ;
নাভাবোঁ হে মই যাম নো কলই ;
জানো এয়ে মৰণৰ বুলনী দীঘলী।
পাম গই কোন্ ঠাই এই বাটে চলি ?

(২৮)

"জয় ৰাম" বুলি ধীৰে ধীৰে তুলি,
সৱে ধৰি-মেলি চাঙ্গিত ইৰেলি
নিলে শ্মশানলৈ মোক কৰি হৰিধ্বনি।
মৰণৰ মহাশঙ্খ বাজে ঘনে-ঘনি।

(২৯)

চিতাৰ আকাৰ দেখি হাহাকাৰ
কৰে সমজ্যাৰ লোক অনিবাৰ;
খন্তেকতে ভস্মীভূত পৃথিবীৰ কায়!
ভৌতিক দেহাটি হাঁয় হল পুৰি ছাই!

(৩০)

নিৰ্ব্বিকাৰ হই আছোঁ মই চাই;
চিন্তা-শোক নাই, লুপ্ত শঙ্কা-ভয়;
আলেঙ্গে আলেঙ্গে ফুঁৰো চাই কাৰ্য্য-গতি।
সংলিপ্ত নাথাকে মোৰ একোতেই মতি।

(৩১)

সকলোৱে কয়— "মায়া-মোহময়
ধন-বস্তুচয়, একোৱে নবয়;
সংসাৰত সাৰ-বস্তু মাথোন ঈশ্বৰ।
ধৰ্ম্মনিষ্ঠ হব লাগে যত নাৰী নৰ"।

(৩২)

স্বজন যিমান, চিন্তাকুল-প্ৰাণ,
এৰিলে শ্মশান, পালে নিজ স্থান ;
মুহূৰ্ত্ততে পাহৰিলে শ্মশান-বাতৰি।
মায়া-মোহে সকলোকে পেলালে আবৰি।

(৩৩)

হল ভস্মসাত্ দেহাটি চিতাত ;
মৰণৰ ছাঁত আছোঁ হে ইয়াত ;
মৰণ-দুৱাৰদলি চেৰিলোঁ সঁচাই।
কলৈ যাম, কেনি যাম, কব পৰা নাই।

(৩৪)

দীঘল বুলনী, এন্ধাৰ ঢাকনী,
যাওঁ সেই পিনি, চকুৰে নমণি ;
চলি চলি যাওঁ, খোজ ভৰিৰে নাকাঢ়ি।
কোনে নো উৰাই নিয়ে, কবকে নোৱাৰি।

(৩৫)

নাই একো ভয়, নিচেই সংশয় ;
নাভাবোঁ হে মই যাম নো কলই ;
জানো এয়ে মৰণৰ বুলনী দীঘলী।
পাম গই কোন্ ঠাই এই বাটে চলি ?

(৩৬)

এন্ধাৰ এন্ধাৰ, চৌদিশে এন্ধাৰ,
ওপৰে এন্ধাৰ তলত এন্ধাৰ ;
এন্ধাৰতে গই থাকোঁ, থাকোঁ গই গই—
ভাগৰ-জোগৰ নাই, খন্তেক নৰই।

(৩৭)

সম্মুখত ইকি, ৰিণিকি-ৰিণিকি
দেখোঁ চিকি-মিকি পোহৰ ধিমিকি !
দীঘলীয়া বুলনীৰ জানো হল শেষ।
পাম নে কি এই বাৰ কিবা ভাল দেশ ?

(৩৮)

এখনি দুৱাৰ বহল ডাঙ্গৰ,
আছে থৰে-থৰ প্ৰকাণ্ড লোৱৰ ;
দুৱাৰৰ বাজে জানো পোহৰ বিশেষ।
এতে পৰে অন্ত হব এন্ধাৰৰ দেশ।

(৩৯)

জানিলোঁ জানিলোঁ, ঠাৱৰে জানিলোঁ,
এতিয়া বুজিলোঁ সাঁথৰ সকলো ;
এয়ে মৰণৰ মোৰ দ্বিতীয় ঘটন।
মৰণ-বাটৰ পিচ-দুৱাৰ ইখন।

(৪০)

দুৱাৰ-দলিত হলোঁ উপস্থিত;
মন ব্যৱস্থিত, হল শান্ত চিত;
দেখি ঠাই লাগে মোৰ আনন্দ বিশেষ
এয়ে নে কি পৰলোক, পোহৰৰ দেশ

(৪১)

হলোঁ মই পাৰ ইখনি দুৱাৰ;
কত নো আকাৰ সম্মুখত মোৰ
ছঁয়াময়া সাজ পিন্ধি চৌদিশে বেৰিছে।
কোন নো জাতীয় প্ৰাণী, কিয় বা আহিছে?

(৪২)

মৃত প্ৰিয়জন, মৃত পৰিজন,
বান্ধৱ স্বজন কৰিছোঁ দৰ্শন;
কোৱাঁ মোক দয়া কৰি কেনি যাম মই।
তোমাসাৰ লগতেই দিবা নে আশ্ৰয়?

(৪৩)

সবেও সমূলি নামাতি নুবুলি,
হাতৰ আঙ্গুলি ওপৰলৈ তুলি,
কৰিলে সঙ্কেত মাথোঁ—"গই থাকাঁ তুমি,
তোমাৰ নিৰ্দ্দিষ্ট জানা পাবা গই ভূমি"।

(৪৪)

হল অদৰ্শন নিজ পৰিজন,
ইষ্ট-বন্ধুগণ, নুবুলি বচন ;
মৰণ-দুৱাৰ এৰি, বাটে বাটে চলি,
জানিলোঁ। সিপুৰী মই পাম এই বেলি।

(৪৫)

দেহাৰ প্ৰলয় ঘটিল নিশ্চয়,
জানিলোঁ। হে মই আজি সঁচাকই ;
নতুন জীৱন পালোঁ। অমিয়া মাধুৰী।
এই বাটে চলি গই পাম নৱপুৰী।

(৪৬)

মানৱী জীৱন জানা অভগন ;
দেহা-বিসৰ্জ্জন মাথোন মৰণ ;
আতমাৰ নাশ নাই, গম পালোঁ। আজি।
নৱধামলই যাওঁ, নৱসাজে সাজি।

---

(৪৪)

হল অদৰ্শন নিজ পৰিজন,
ইষ্ট-বন্ধুগণ, নুবুলি বচন ;
মৰণ-দুৱাৰ এৰি, বাটে বাটে চলি,
জানিলোঁ সিপুৰী মই পাম এই বেলি।

(৪৫)

দেহাৰ প্ৰলয় ঘটিল নিশ্চয়,
জানিলোঁ হে মই আজি সঁচাকই ;
নতুন জীৱন পালোঁ অমিয়া মাধুৰী।
এই বাটে চলি গই পাম নৱপুৰী।

(৪৬)

মানৱী জীৱন জানা অভগন ;
দেহা-বিসৰ্জ্জন মাথোন মৰণ ;
আতমাৰ নাশ নাই, গম পালোঁ আজি।
নৱধামলই যাওঁ, নৱসাজে সাজি।